# অধ্যায় ৯ ঃ দেৱকান্ত বৰুৱাৰ কবিতা ঃ কলঙ্‌পাৰত মাজনিশা

## অধ্যায় গাঁথনি


9.1 উদ্দেশ্য

9.2 পৰিচয়

9.3 যুগসন্ধি স্তৰৰ অসমীয়া কবিতা ঃ সাধাৰণ আলোচনা

9.4 *কলঙ্‌পাৰত মাজনিশা*

9.4.1 কবি পৰিচয়

9.4.2 কবিতাটোৰ মূলপাঠ

9.4.3 কবিতাটোৰ বিষয়বস্তু

9.4.4 কবিতাটিত প্রতিফলিত যুগসন্ধিৰ চিন্তা

9.5 কবি হিচাপে দেৱকান্ত বৰুৱাৰ মূল্যায়ন

9.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

9.7 অধিক জানিবলৈ

9.8 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

9.9 আৰ্হি প্রশ্ন


## ৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পূৰ্বৰ ৰোমাণ্টিক কবিতাৰ সৈতে দেৱকান্ত বৰুৱাৰ কবিতাৰ পার্থক্যৰ এটি চমু আভাস পাব
- কবি দেৱকান্ত বৰুৱাৰ কাব্য চিন্তাৰ লগত পৰিচিত হ'ব পাৰিব
- *কলঙ্‌পাৰত মাজনিশা* কবিতাটিৰ বিষয়বস্তু আৰু বিশ্লেষণ আগবঢ়াব পাৰিব।

## ৯.২ পৰিচয়

এই অধ্যায়ত অসমীয়া ৰোমাণ্টিক কবিতাৰ শেহ পর্যায়ৰ আৰু আধুনিকতাৰ আৰম্ভণিৰ মাজৰ অর্থাৎ যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱাৰ *কলঙ্‌পাৰত মাজনিশা* কবিতাটিৰ আলোচনা দাঙি ধৰা হ'ব।

মন কৰিবলগীয়া কথা এয়ে যে দেৱকান্ত বৰুৱাৰ পৰৱর্তী সময়ৰে পৰা অসমীয়া কবিতাই সুঁতি সলনি কৰিছে। অধ্যায়টিত আলোচনাৰ পৰিসৰ অকল *কলঙ্‌পাৰত মাজনিশা* কবিতাটোত সীমাবদ্ধ নাৰাখি কবিগৰাকীৰ একমাত্র কাব্যপুথি *সাগৰ দেখিছোঁ* আন আন কবিতাসমূহৰো উজ্বল দিশসমুহো আলোচনালৈ অনা হৈছে। সামগ্রিকভাৱে দেৱকান্ত বৰুৱাৰ কাব্য চিন্তাৰ লগতো পৰিচয় কৰাই দিয়া হ'ব।

## ৯.৩ যুগসন্ধি স্তৰৰ অসমীয়া কবিতা ঃ সাধাৰণ আলোচনা

অসমীয়া সাহিত্যত ৰোমাণ্টিক চিন্তা-চেতনা আৰু ভাৱাদর্শৰ শুভ আৰম্ভণি ঘটে *জোনাকী* কাকতৰ জন্মৰ যোগেদি। 1810 শকৰ পুণ্য ভাদ মাহত (25 আগষ্ট, 1888) অ.ভা.উ.সা. সভাৰ জন্ম আৰু পুণ্য মাঘ মাহৰ পৰা *জোনাকী* কাকতৰ জন্ম। এই *জোনাকী* কাকত সৃষ্টিত চন্দ্রকুমাৰ আগৰৱালা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী এই তিনিগৰাকী সাহিত্যিকৰ অৱদান উল্লেখযোগ্য। *জোনাকী*য়ে সচেতনভাৱে এক সাহিত্যিক আন্দোলন গঢ় দি তোলে। পাশ্চাত্যৰ প্রভাৱ মুক্তভাৱে গ্রহণ কৰি, বঙলা সাহিত্যৰ বৰেণ্যসকলৰ আদর্শও আগত ৰাখি আধুনিক সাহিত্যৰ ভাবধাৰা আৰু সাহিত্যিক ৰূপৰ অসমীয়া সাহিত্য সমাৱেশ ঘটিল। অসমীয়া ৰোমাণ্টিক কবিতাৰ প্রথম সার্থক উন্মেষ ঘটে *জোনাকী*ৰ প্রথম সংখ্যাতে প্রকাশিত চন্দ্রকুমাৰৰ *বনকুঁৱৰী* নামৰ কবিতাটিত। ৰোমাণ্টিক কবিতাৰ অনুভূতিশীলতা, ভাবপ্রৱণতা আৰু প্রকাশৰ আতিশয্য আদি গুণৰ সমাৱেশেৰে লক্ষ্মীনাথ বেজবৰুৱাই বহুকেইটি কবিতা ৰচনা কৰে। *কাকো আৰু হিয়া নিবিলাওঁ*, *পুৱা* আদি কবিতাৰে হেমচন্দ্র গোস্বামীয়ে *জোনাকী* কাকত সমৃদ্ধ কৰে। মফিজুদ্দিন আহমদ হাজৰিকা জোনাকী আন্দোলনৰ লগত সংশ্লিষ্ট নোহোৱাকৈও জ্ঞানৰ কবিতা ৰচনা কৰে। সেয়াই *জ্ঞান-মালিনী*। কৃষ্ণ প্রসাদ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, বেণুধৰ ৰাজখোৱা, আনন্দ চন্দ্র আগৰৱালা, চন্দ্রধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰি ৰায়চৌধুৰী, দুর্গেশ্বৰ শর্মা, যতীন্দ্র নাথ দুৱৰা, সূর্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, পদ্মধৰ চলিহা, ৰত্নকান্ত বৰকাকতি, নীলমনি ফুকন, শৈলধৰ ৰাজখোৱা, ডিম্বেশ্বৰ নেওগ, বিনন্দ চন্দ্র বৰুৱা, প্রসন্নলাল চৌধুৰী, অতুল চন্দ্র হাজৰিকা, পার্বতিপ্রসাদ বৰুৱা, জ্যোতিপ্রসাদ আগৰৱালা, নলিনীবালা দেৱী, ধর্মেশ্বৰী দেৱী বৰুৱানী আদি কবিৰ কবিতাই অসমীয়া ৰোমাণ্টিক কবিতাৰ দীঘলীয়া যাত্রাত বৰঙণি আগবঢ়ায়। ইয়াৰ পিছতেই আৰম্ভ হয় শেষ ৰোমাণ্টিক স্তৰ। 1929 চনত কলিকতাৰ পৰা *আৱাহন* প্রকাশ পায়। কবিতাৰ ক্ষেত্রখনত আৱাহনে ঘাই ভূমিকা গ্রহণ কৰে। থূলমূলভাৱে ক'বলৈ গ'লে, বিগত শতিকাৰ চতুর্থ দশকেই ৰোমাণ্টিক কবিতাৰ শেষস্তৰ।এই সম্পর্কত মহেশ্বৰ নেওগে এনেদৰে কৈছে—এই স্তৰত ৰোমাণ্টিক বেলিটো, পছিম আকাশৰ ধূলি আৰু বগা ডাৱৰৰ মাজত সোমাই নিজেই সমুজ্বল হৈ অস্তগমনৰ জাননী দিলে। এফালে ৰোমাণ্টিক উচ্ছাসে সেই সময়ৰ ডেকা ছাত্রসকলক কোবাই কিছু উদ্বাউল কৰিলে, অনুকৰণ-অনুসৰণ বাঢ়ি উঠিল; আন ফালে ৰোমাণ্টিচিজিমে সার্থক আৰু পৰিণত ভাবে নিজৰ বিদায়লিপি ৰচনা কৰিলে।" শেষ ৰোমাণ্টিক স্তৰৰ অন্যতম কবিসকল হ'ল— আনন্দ চন্দ্র বৰুৱা, গনেশ চন্দ্র গগৈ আৰু কবি দেৱকান্ত বৰুৱা। আনন্দ চন্দ্র বৰুৱাৰ পাৰস্যৰ কবি হাফিজৰ ভাববিলাসত মুগ্ধ আৰু চঞ্চল হৈ তেওঁৰ কবিতা অনুবাদ কৰিছে *হাফিজৰ সুৰ*। *পাপৰি, স্বপ্ন, ভঙ্গ* আৰু *ৰূপজ্যোতি* এই তিনিখন কাব্যপুথিৰে ইন্দ্রিয়গ্রাহ্য, প্রেমাস্পদৰ আকর্ষণত যেন কাব্যক মোহিত কৰিছে। বনগীতৰ শিহৰণো যেন তেওঁৰ কবিতাত সাৰ পাই উঠিছে। বনগীতৰ দৰেই *পাপৰি* কবিমন প্রিয়াৰ নিষ্ঠুৰ উদাসীনতাত আৰু অৱজ্ঞাত, কাতৰ হৈ ভাগি পৰিছে আৰু শেষত গৈ 'নিয়তিৰ গ্লানিতে আশ্রয় লৈছে। এই স্তৰৰ

সার্থক প্রেমৰ কবি দেৱকান্ত বৰুৱা। এওঁ *আৱাহন* যুগৰ শ্রেষ্ঠ কবি আৰু এওঁতেই ৰোমাণ্টিক কবিতাই ভাবঘন পৰিণতি লাভ কৰিছে বুলি ক'ব পাৰি। দেৱকান্ত বৰুৱাক ৰোমাণ্টিক কাব্যপ্রবাহৰ শেষৰ জন কবি বুলি ক'লেও ভুল কোৱা নহয়। প্রকৃতি, সৌন্দর্য এইবোৰৰ আধাৰত ৰোমাণ্টিক যুগত কবিতাসমূহ সৃষ্টি হৈছিল যদিও দেৱকান্ত বৰুৱাৰ হাততে ৰোমাণ্টিক কবিতাই এক নতুন ৰূপ পালে, আয়তন পালে। অতীন্দ্রিয়বাদৰ সুৰ দেৱকান্ত বৰুৱাৰ কবিতাত নাই। সৌন্দর্য আছে, কিন্তু সেয়া সত্য, সুন্দৰৰ আৰাধনাত নিমগ্ন হোৱা চিৰসৌন্দর্য্য নহয়, মাটিৰ মানুহৰ পৃথিৱীৰ দেহজ আন্তৰিক ভালপোৱা। দেৱকান্তৰ হাততেই ৰোমাণ্টিক কবিতাই নিজৰ স্থিতিৰ পৰা নামি আহি এক নতুন কণ্ঠস্বৰেৰে মুখৰিত হৈছিল।

## ৯.৪ কলঙ্‌পাৰত মাজনিশা

### ৯.৪.১ কবি পৰিচয়

ৰোমাণ্টিক আৰু আধুনিক —এই দুই যুগৰ সন্ধিত ভৰি থৈ অসমীয়া কবিতাক অভিনৱত্ব প্রদান কৰা কবি দেৱকান্ত বৰুৱাৰ জন্ম হয় 1914 চনৰ ফেব্রুৱাৰী মাহৰ 22 তাৰিখে। ডিব্রুগড় চহৰত জন্মলাভ কৰা কবিৰ পিতৃৰ নাম নীলকান্ত বৰুৱা আৰু মাতৃ স্বর্ণলতা বৰুৱা।

কবিৰ হাইস্কুলীয়া শিক্ষা আৰম্ভ হয় নগাঁও চৰকাৰী হাইস্কুলত। 1930 চনত তেওঁ এই স্কুলৰ পৰাই প্ররেশিকা পৰীক্ষাত উত্তীর্ণ হয়। এই সময়তে তেওঁ দেশৰ স্বাধীনতা আন্দোলনত ভাগ লোৱাৰ অপৰাধত ছমাহ কাৰাদণ্ড আৰু 200 টকা জৰিমনাও ভৰিব লগা হৈছিল। ইয়াৰ পাছতেই তেওঁ উচ্চশিক্ষাৰ বাবে ঢাপনি মেলে বেনাৰছলৈ। দেৱকান্ত বৰুৱাই 1935 চনত 'বেনাৰছ হিন্দু বিশ্ববিদ্যালয়'ৰ পৰা স্নাতক উপাধি লাভ কৰে। 1945 চনত তেওঁ 'অসম প্রদেশ কংগ্রেছ কমিটি'ৰ সহকাৰী সম্পাদক হিচাপে নির্বাচিত হৈ 1950 চনলৈকে কার্যনির্বাহ কৰে।

1929 চনত *আৱাহন* কাকতত কবি হিচাপে দেৱকান্ত বৰুৱাই আত্মপ্রকাশ কৰিছিল। বিভিন্ন কাকত-আলোচনীত প্রকাশিত কবিতাসমূহ একত্রিত কৰি 1945 চনত *সাগৰ দেখিছা* নামেৰে প্রকাশ কৰে। এইখনেই তেওঁৰ একমাত্র কাব্য পুথি।

1946 চনত জ্যোতিপ্রসাদ আগৰৱালা আৰু অমিয় কুমাৰ দাসৰ পৰামর্শ মতে *দৈনিক অসমীয়া* কাকতৰ সম্পাদনাৰ ভাৰগ্রহণ কৰি 1947 চনলৈকে কার্যনির্বাহ কৰে। উল্লেখযোগ্য যে 1946 চনত তেওঁ ভোলানাথ দাসৰ কনিষ্ঠা কন্যা প্রিয়লতাৰ সৈতে বিবাহ-পাশত আবদ্ধ হয়। *দৈনিক বাতৰি* কাকতখন বন্ধ হৈ যোৱাত 1949 চনত তেওঁ ৰামধেনু প্রকাশ লিমিটেডৰ পৰা প্রকাশিত *নতুন অসমীয়া* কাকতৰ সম্পাদনাৰ গুৰুভাৰ গ্রহণ কৰে।

ইয়াৰ পাছৰে পৰা দেৱকান্ত বৰুৱাই সক্রিয়াভাৱে ৰাজনীতিত অংশগ্রহণ কৰে। 1950 চনত 'সর্বভাৰতীয় কংগ্রেছ সমিতি'ৰ সদস্য হিচাপে কার্যনির্বাহ কৰাৰ লগতে দুবছৰৰ বাবে পার্লিয়ামেণ্টৰ সদস্য হিচাপে কার্যনির্বাহ কৰে। 1952 চনত তেওঁ লোকসভাৰ সদস্য হিচাপে নির্বাচিত হয়। তেওঁ পিতৃভূমি অসমলৈ উভতি আহে 1957 চনত। 1957 চনৰ পৰা 1959 চনলৈকে তেওঁ অসম বিধানসভাৰ অধ্যক্ষ হিচাপে অধিস্থিত হয়। সেই বছৰতে তেওঁ গুৱাহাটী তেল শোধনাগাৰৰ অধ্যয় হিচাপেও দায়িত্বভাৰ গ্রহণ কৰে। 1962–1966 চনলৈকে অসমৰ 'শিক্ষা পর্যটন আৰু সমবায় দপ্তৰ'ৰ মন্ত্রী হিচাপে থকাৰ উপৰি 'ভাৰতীয় তেল নিগম'ৰ অধ্যক্ষ হিচাপেও দায়িত্বভাৰ গ্রহণ কৰিছিল। তেওঁ 1971 চনত বিহাৰৰ ৰাজ্যপাল হিচাপে মনোনীত হয়।

দেৱকান্ত বৰুৱাই 1973 চনৰ পৰা 1977 চনলৈ কেইবাবাৰো কেন্দ্রীয় মন্ত্রীসভালৈ নির্বাচিত হোৱাৰ লগতে ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি হিচাপেও দায়িত্বভাৰ বহন কৰে। এইজন মহান কবি তথা ৰাজনীতিজ্ঞ দেৱকান্ত বৰুৱাৰ 1996 চনৰ জানুৱাৰী মাহৰ 8 তাৰিখে নতুন দিল্লীৰ নিজা বাসভৱনত ইহলীলা সম্বৰণ ঘটে।

## ৯.৪.২ কবিতাটোৰ মূল পাঠ

**কলঙ-পাৰত মাজনিশা**

*অতপৰে আহিলা লাহৰি? বাট চাই আছোঁ তোমাল'কৈ*
*অথনিৰে পৰা;*
*লুকাই আহিছা? ভয় নাই নেদেখে কোনেও, জোনবাই*
*ডাৱৰে আবৰা।*
*আহাঁ মোৰ ওচৰতে বহা। কিয়নো কৰিছা লাজ সোণ?*
*একো লাজ নাই,*
*কলঙৰ নিজান পাৰত তুমি আৰু মই আছোঁ, মাথোঁ*
*কদম জোপাই*
*সাখী ক'ব তুমি আৰু মই আজি নিভৃতে মিলাৰ হেৰা,*
*সউ বকুলৰ*
*ডালত কুৰুলি মৰা নিয়তি হালিয়ে জানিব মাথোন*
*তুমি আজি মোৰ।*
*এতিয়াই যাবা ঘৰলই? কিয় কেনেবাকে কোনোবাই*
*যদি সাৰ পায়?*
*তুমি- গোলাপৰ আজি লভিছোঁ পৰশ প্রিয়া! কাঁইটৰ*
*শঙ্কা মোৰ নাই।*

*আহাছোঁ ওচৰ চাপি, সঙ্কোচৰ ব্যৱধান নেৰাখিবা*
*বিদায় নিশাত;*
*ভাগৰ লাগিছে যদি, নকৰিবা একো লাজ, থোৱাৰ মূৰ*
*মোৰেই কোলাত।*
*চাই লওঁ তোমাৰ মু'খনি, লীন হক তোমাৰ চকুত*
*দুটি চকু মোৰ,*
*যিদৰে মিলিছে আজি আমাৰ বিষাদ স'তে আকাশৰ*
*মলিন পোহৰ।*
*তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন? মাথোঁ*
*দহদিন আছে?*
*এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম*
*মোৰ বাটে বাটে।*
*নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা যি*
*ন চাকি গছি,*
*তাৰ পোহৰত যাব জীয়ৰী কালৰ আশা, সুখ, দুখ*
*দিনে দিনে মচি।*
*তুমি মোক পাহৰি পেলাবা; মোৰ দোষ, মোৰ গুণ, হায়*
*মোৰ ভালপোৱা,*
*পাহৰিবা তুমি সখি! আজিৰ নিশাৰ স্মৃতি, পাহৰিবা*
*তুমি মোৰ হোৱা।*
*হয়তো কোনোবা নিশা বহিবা ইয়াতে আহি, ওচৰত*
*ৰব প্রিয়জন;*
*বকুলৰ সুগন্ধিয়ে তেতিয়া তোমাৰ বাৰু কিবা কিবি*
*কৰিবনে মন?*
*হয়তো কৰিব পাৰে, হয়তো নকৰে, মোৰ খেদ নাই।*
*মোৰ অহঙ্কাৰ*
*প্রথম জগালোঁ ময়ে তন্দ্রলসা গাভৰুক মনোৰমা*
*হিয়াৰ তোমাৰ।*

## ৯.৪.৩ কবিতাটোৰ বিষয়বস্তু

কলঙৰ পাৰত বহিয়েই কবি দেৱকান্তই প্রেয়সীৰ সৈতে প্রেমৰ কথা পাতে। কলঙৰ নিভৃত পাৰত বহি, ছন্দৰ ইন্দ্রধনু ৰচি প্রেমৰ কোমল পুৱাৰ অৰুণ ৰাগ আৰু হেঙুলী ডাৱৰৰ বার্তা দিবলৈ বিচাৰে। তেওঁ কলঙৰ পাৰত বহি প্রেমৰ সপোন দেখে,

সোণাৰুৰ সোণালী যৌৱনক আন্দোলিত কৰিব খোজে। বিনন্দীয়া পৃথিৱীৰ শোভা লৈ বিদায় ল'বলগীয়া এক কৰুণতাইও তেওঁক কেতিয়াবা ব্যথিত কৰে। তেওঁৰ দৰে আন নতুন কবিয়ে আহি কলঙৰ পাৰত বহি যৌৱনৰ আৰতি শুনাব বুলিও একান্ত বিশ্বাস ৰাখে। কলঙৰ পাৰ, কলঙৰ পাৰত বহি কৰা কবিৰ বিচিত্র প্রেমৰ চিন্তাই কবিতাসমূহক প্রাণোচ্ছল সৌন্দর্য প্রদান কৰে। দেৱকান্ত বৰুৱাৰ *সাগৰ দেখিছা* কাব্য সঙ্কলনত 'কলঙ্পাৰত' আৰু 'কলঙ্ পাৰত মাজনিশা' নামৰ দুটি কলং বিষয়ক কবিতা আছে।

কলঙ্পাৰত মাজনিশা কবিয়ে প্রেয়সীৰ বাবে বহুসময় ধৰি অপেক্ষা কৰি আছে। শেষত পলমকৈ হ'লেও প্রেয়সী তেওঁৰ কাষ চাপিছে। মেঘে আ�ৰৰি আছে আকাশ, জোনবাইক ডাৱৰে আৰৰি থকাত প্রেয়সীৰ আগমনক কোনেও নেদেখে বুলি প্রত্যয় জন্মাইছে। প্রেয়সীয়ে লাজ কৰিছে। সেই লাজ আঁতৰাই তেওঁৰ কাষত বহিবলৈ প্রেয়সীক আহ্বান জনাইছে। কলঙ্পাৰত বিৰাজ কৰিছে প্রেম-অনুকূল নীৰৱতা-কবি আৰু প্রেয়সীৰ বাহিৰে আন কোনো নাই, কেৱল ওচৰত থকা কদম জুপিয়েহে তেওঁলোকৰ নিভৃত মিলনৰ সাক্ষী হৈ ৰ'ব। বকুলৰ ডালত কুৰুলি মৰা নিয়তি হালিয়ে সময়ে মাথো ক'ব 'তুমি আজি মোৰ'। কলঙৰ পাৰত মাজনিশা প্রেয়সীয়ে ভয় আৰু লাজতে বৰ বেছি সময় থাকিবলৈ বিচৰা নাই। কবিৰো এক শঙ্কা মনলৈ আহিছে- কেনেবাকৈ কোনোবাই যদি সাৰ পায় প্রেয়সীক দেখে। কবিৰ মনত প্রেয়সীৰ সৌৰভ গোলাপৰ দৰে; গোলাপৰ কোমল পাহি স্পর্শ কৰি কবিৰ মন প্রাণ ব্যাকুল। কবিয়ে জানে, গোলাপৰ কাষে-কাষে কাঁইট থাকিলেও প্রেয়সীৰ প্রেমৰ স্পর্শই কাঁইটৰ শংকা নানে।

প্রেয়সীক ওচৰত পোৱাৰ আশা ব্যক্ত কৰি ওচৰলৈ মাতিছে,বিদায় পৰত সঙ্কোচৰ ব্যৱধান নাৰাখিবলৈও আহ্বান জনাইছে। প্রেয়সীৰ লুকাই-চুৰকৈ অহা ভাগৰে যদি দেহত ক্রিয়া কৰিছে একো লাজ নকৰি তেওঁৰ কোলাত মূৰ থ'বলৈও অনুৰোধ জনাইছে। প্রেয়সীৰ মুখনি চাবলৈ তেওঁৰ হেঁপাহ, যাতে তেওঁৰ চকুৰ দৃষ্টি বিলীন হয় প্রেয়সীৰ চকু-দুটিৰ মাজত। কবিয়ে উপলব্ধি কৰিছে এই মিলনৰ বিদায় ক্ষণত আকাশেও যেন বিষাদৰ মলিন পোহৰহে বিকিৰিত কৰিছে। কবিৰ প্রেম বিষাদত ঘণীভূত হৈছে এই কাৰণেই যে আৰু দহদিন পিছত প্রেয়সীয়ে আনৰ সৈতে বিয়াত বহিব। দহদিন, তেনেই কম দিন। আজিৰ পৰা তেওঁক এই দহদিনৰ ভিতৰতো পুনৰ লগ নাপাব— "এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যামঊ মোৰ বাটে বাটে।" একে বাটেৰে আহি কলঙ্পাৰত মাজনিশা লগ পোৱাৰ আৰু সৌভাগ্য নহ'ব।

কবিয়ে আকুলতাৰ পৰিধি ভৱিষ্যতমুখী কৰিছে। প্রেয়সীৰ জীৱনলৈ আহিব নতুন পুৰুষ, এখনি নতুন ঘৰ। প্রেয়সীৰ জীৱনৰ চিনাকিও হ'ব নতুন ৰূপত। সেইখন ঘৰেই চেনেহৰ শলিতাৰে জ্বলি নতুন ৰূপ পাব। অৱশ্যে এই কথাত কবিৰ মনলৈ আহিছে সেই মৰমৰ শলিতাৰ পোহৰে আনহাতে জীয়ৰী কালৰ আশা-আকাংক্ষাৰ আকুলতাবোৰ

দিনে দিনে মচি দিব। তেনে এক প্রাণোচ্ছল পৰিৱেশত কবিক প্রেয়সীয়ে লাহে লাহে পাহৰি যাব; পাহৰি যাব কবিৰ দোষ-গুণ আৰু ভালপোৱাৰ অপূর্ব মায়াজাল। প্রেমে পট পৰিৱর্তন কৰিব। সেই পাহাৰণিৰ গৰ্ভই বুকুত সাৱটি ল'ব যে কলঙৰ পাৱৰ সেই নিশাটোৰ স্মৃতি, পাহাৰিব তেওঁৰ হৃদয়ক মোৰ বুলি আঁকোৱালি লোৱা প্রেমৰ আকুলতা।

এটা নতুন পৰিৱেশৰ মাজত প্রেয়সীয়ে দিনবোৰ অতিবাহিত কৰি নিজৰ প্রিয়জনৰ সৈতে আহি কলং পাৱত এইখিনি ঠাইতে বহিব। যি বকুলে প্রেমৰ সৌৰভ-বিলাই আজিৰ পৰিৱেশ স্নিগ্ধ কৰি তুলিছে সেই স্নিগ্ধতাই সিদিনাও তেওঁৰ মন-প্রাণ ব্যাকুল কৰিবনে সেই প্রশ্নৰ উত্তৰো বিচাৰিছে প্রেয়সীৰ পৰা। কবিয়ে ভাবে— হয়তো আকুল কৰিবও পাৰে, নকৰিবও পাৰে। যদি নকৰেও তাৰ বাবে কৰিব খেদ নাই, অভিমান নাই। কাৰণ কবি গর্বিত এই কাৰণেই যে কবিয়ে প্রথমতে টোপনিৰ পৰা জগাই, হিয়াত প্রেমৰ প্রবাহ সঞ্চাৰ কৰি কলঙৰ পাৱলৈ আনিবলৈ সক্ষম হৈছে— "প্রথমে জগালোঁ ময়ে তন্দ্রালসা গাভৰুক মনোৰমা হিয়াৰ তোমাৰ।" এনেদৰে কবিতাটিৰ মাজেৰে কলঙৰ পাৱৰ মাজনিশাৰ এখনি যুগ্ম প্রেমৰ, যৌৱন-উদ্বেলিত ছবি প্রকাশ পাইছে। কবিতাটিত কবিৰ প্রেমৰ যি আকুলতা, প্রেয়সীৰ সৈতে গঢ় লোৱা প্রেমৰ যি জাগতিক বাসনা আৰু প্রেমৰ কথোপকথন তাৰ সুন্দৰ প্রকাশ ঘটিছে। ক'বলৈ গ'লে সহজ-সৰল ভাষাৰে প্রেমৰ গভীৰ আৰু আন্তৰিকতাপূর্ণ ছবি অসমীয়া কাব্য সাহিত্যত বিৰল। অকল এই কবিতাটিয়েই নহয়, দেৱকান্তৰ *সাগৰ দেখিছা* কাব্যপুথিৰ অধিক সংখ্যক কবিতাতে দেহজ প্রেমৰ এনে মধুৰ বিষয় মুখ্যভাৱে প্রকাশ পাইছে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** *কলঙ্পাৱত মাজনিশা* কবিতাটিৰ বিষয়বস্তু চমুকৈ আলোচনা কৰক। (150টা শব্দৰ ভিতৰত লিখক)

## ৯.৪.৪ কবিতাটিত প্রতিফলিত যুগসন্ধিৰ চিন্তা

অসমীয়া কাব্য সাহিত্যত দেৱকান্ত বৰুৱা যুগসন্ধিৰ কবি, দোমোজাৰ কবি। এই যুগসন্ধি ৰোমাণ্টিক আৰু আধুনিকতাৰ মাজৰ যুগসন্ধি। পূর্বৰ কবিসকলৰ ৰোমাণ্টিক চিন্তা-চেতনা প্রেম, সৌন্দর্য, অতীন্দ্রিয় চেতনা, সত্য, শিৱ সুন্দৰৰ আৰাধনা দেৱকান্ত বৰুৱাৰ কবিতাত বিশেষভাবে প্রকাশিত হোৱা নাই। ইয়াৰ পৰা কিছু পৰিমাণে হ'লেও আগবাঢ়ি আহি প্রেমক স্বর্গীয় ৰূপৰ পৰা নমাই আনি জাগতিক ৰূপলৈ আৰু তাৰ জৰিয়তে প্রেমক শৰীৰ আৰু মন দুয়োটা জ্যোতিৰে আলোকিত কৰি দেৱকান্ত বৰুৱাই অসমীয়া ৰোমাণ্টিক কবিতাক এটি নতুন মাত্রা প্রদান কৰি গৈছে। দেৱকান্ত বৰুৱাৰ কবিতাত প্রেয়সী প্রেমৰ স্বর্গীয় জ্যোতি নহয়, স্পর্শাতীত মাধুর্যও নহয়। দেৱী হিচাপেও প্রতিষ্ঠা কৰা নাই প্রেয়সীক। তেওঁৰ কবিতাত প্রেয়সী ৰাতিৰ নীৰৱতাত গোপনে আহে

কলঙ্পাৰলৈ। তেওঁ ৰৈ থাকে প্রেয়সীলৈ। বহিবলৈ মাতে নিচেই ওচৰতে—

*"আহাঁ মোৰ ওচৰত বহা। কিয়নো কৰিছা লাজ সোণ?*
*একো লাজ নাই;*
*কলঙৰ নিজান পাৰত তুমি আৰু মই আছোঁ, মাথোঁ*
*কদম জোপাই*
*সাখী ক'ব তুমি আৰু মই আজি নিভৃতে মিলাৰ হেৰা,"*

চিৰদিনৰ কাৰণে নহ'লেও সেইদিনটোত তেওঁ প্রয়সীক নিজৰ কৰি ৰাখিবলৈ বিচাৰে। প্রেমৰ ক্ষেত্রত কবিয়ে অলপো সংশয় বা শঙ্কা অনুভৱ কৰা নাই। কবিৰ আনন্দ যে প্রেয়সীৰ গোলাপ সুবাসিত সৌন্দর্য স্পর্শ কৰিব পাৰিছে—

*"তুমি গোলাপৰ আজি লভিছোঁ পৰশ প্রিয়া! কাঁইটৰ*
*শঙ্কা মোৰ নাই।"*

প্রেয়সীৰ সৈতে কবিৰ আত্মীয়তাত নাই কোনো দ্বিধা, নাই কোনো সংকোচ। অন্তৰ ভৰি ভালপোৱা প্রেয়সীৰ এই মিলনৰ সময়, আনহাতে কিন্তু বিদায়ৰ লগ্নও, কিয়নো প্রেয়সীৰ জীৱনে নতুন সময়ক আহ্বান জনাব, বিয়ালৈ মাত্র দহ দিন বাকী। এই দহদিন দুয়ো নিজ বাটেৰে অগ্রসৰ হ'ব, দুয়োৰো মাজত আৰু হয়তো দেখাদেখি নহ'ব—

*"তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহ দিন? মাথোঁ*
*দহ দিন আছে?*
*এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম*
*মোৰ বাটে বাটে।"*

ৰোমাণ্টিক চিন্তা চেতনাৰ আৰম্ভণি কালত প্রেমৰ এনে ৰূপ প্রকাশিত হোৱা নাছিল। ৰত্নকান্ত বৰকাকতী, হেমচন্দ্র গোস্বামী, যতীন্দ্র নাথ দুৱৰা প্রমুখ্যে অন্যান্য ৰোমাণ্টিক কবিসকলৰ কবিতাত প্রিয়াৰ ৰূপ আৰাধনা, সৌন্দর্যৰ চিৰ উজ্বল বর্ণনা আছে, কিন্তু কোনো এগৰাকীয়ে প্রেয়সীক মাটিৰ পৃথিৱীলৈ, ৰাতিৰ নির্জনতাত প্রেমৰ স্পর্শ দিবলৈ নমাই অনা নাই বা সেই ইচ্ছা বা সাহসো কৰা নাই। ৰত্নকান্ত বৰকাকতীৰ প্রেয়সী এনেদৰে ওচৰলৈ নাহে, আহে লুকাই লুকাই। প্রেয়সীৰ স্পর্শ যেন অনুভূত হয়, কিন্তু ওচৰলৈ নাহে—

*"এই তো প্রিয়ৰ ৰূপৰ দ্বাৰত*
*চুচুক চামাক হর্ষ লাজত*
*ওলাই সোমাই হাঁহিছা*
*এইতো লুব্ধ ক্ষুব্ধ প্রাণৰ*
*আঁচল টানি বিৰহ গানৰ*
*ঘনাই চিকুট মাৰিছা,*

*আহা! লুকাই লুকাই খেলিছোঁ।" (লুকাই লুকাই)*

কবি নলিনীবালা দেৱীয়ে প্রেমক আকৌ সম্পূর্ণ সুকীয়া ৰূপত অনুভৱ কৰিলে। প্রেমত ভোগ-বাসনা থাকিব নোৱাৰে; ক'বলৈ গ'লে ই অর্থহীন। ভোগত *মানুহৰ তৃপ্তি পলোৱা হ'লে বাসনা কেতিয়াও থাকিব নোৱাৰে-*

*"ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'লে*
*বাসনাও নো ৱাৰে থাকিব,*
*মানুহৰ বাসনাৰ সমাধি শয়ন হ'লে*
*জীৱন মৰনো নাথাকিব।" (পৰম-তৃষ্ণা)*

এনে ধৰণৰ প্রেম-ভাৱনাৰ পৰা আঁতৰি আহি দেৱকান্ত বৰুৱাই স্পর্শাতীত প্রেমক স্পর্শগন্ধ প্রেমলৈ ৰূপান্তৰিত কৰিছে। ইমানেই নহয়, কলঙৰ পাৰত মাজনিশা প্রেমৰ কথা পাতিবলৈ মাতি অনাৰ প্রয়াসো কৰে।

দেৱকান্ত বৰুৱা প্রেম বাস্তৱাধাৰিত। প্রেমৰ আকুলতা কবি আৰু প্রেয়সীৰ মাজত বাস্তৱৰ পৃথিৱীৰ প্রেমৰ আধাৰতে গঢ় লোৱা। দহ দিন পিছত, আজি কলঙৰ পাৰত মাজনিশা গোপনে লগ পাবলৈ অহা প্রেয়সীয়ে নতুন চিনাকিৰে পৰিচিত হ'ব। মানৱীয় স্নেহেৰে নতুন ঘৰখনক আলোকিত কৰিব; এই আলোকে জীয়ৰী কালৰ যি প্রেম তাক অতীতত বিলীন কৰি দিব, লাহে লাহে হেৰাই যাব জীয়ৰী কালৰ আশা, সুখ, দুখ—

*"নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা যি*
*ন চাকি গছি,*
*তাৰ পোহৰত যাব জীয়ৰী কালৰ আশা, সুখ-দুখ*
*দিনে দিনে মাচি।"*

ক'বলৈ গ'লে দেৱকান্ত বৰুৱাৰ কবিতাত ৰোমাণ্টিক প্রেমৰ যি উচ্ছাস, কমনীয়তা, স্পন্দনশীলতা, আন্তৰিক সতেজতা, গতিশীলতা আৰু সংবেদনশীলতা লাভ কৰিছে, সেয়া সমসাময়িক আন কবিৰ কবিতাত পাবলৈ নাই বুলিয়েই ক'ব পাৰি। দেৱকান্ত বৰুৱাৰ কবিতাৰ সম্পর্কত বিশিষ্ট আলোচক কবি নীলমণি ফুকনে এনেদৰে কৈছে— "দেৱকান্ত বৰুৱা অসমীয়া সাহিত্যৰ এজন শ্রেষ্ঠ প্রেমৰ কবি।নাটকীয় মনোকথনৰ প্রয়োগ আৰু এক লাৱণ্যময় পৰিচ্ছন্ন ভাষা-ৰীতিৰে বৰুৱাই ত্রিশৰ দশকত অসমীয়া ৰোমাণ্টিক কবিতালৈ আনিছিল এক যৌৱনসুলভ তেজ আৰু সৌন্দর্য।"

দেৱকান্ত বৰুৱাৰ প্রেমৰ কবিতাৰাজিত বাস্তৱ জীৱনৰ সুবাস আছে. প্রেমৰ আনন্দ য'ত আছে তাতে নিৰানন্দও আছে, আৱাহন য'ত আছে তাত বিসর্জনো আছে। জাগতিক জীৱনৰ বাসনাৰ গোন্ধে কবিতাৰাজিক এনেদৰে ৰূপ, গন্ধ আৰু স্পর্শেৰে সঞ্জীৱিত কৰিছে য'ত প্রিয়াৰ বিদায়ৰ পৰৱর্তী অনুভৱো বিগলিত হৈ আছে—

*"তুমি মোক পাহৰি পেলাবা; মোৰ দোষ,মোৰ গুণ, হায়*
*মোৰ ভালপোৱা*
*পাহাৰিবা তুমি সখি! আজিৰ নিশাৰ স্মৃতি, পাহৰিবা*

*তুমি মোৰ হোৱা।"*

অকল ইমানেই নহয়, সমস্ত সুখ-দুখৰ কাব্যিক অনুভৱ হৃদয়ত মন্থন কৰিও শেষত কবিয়ে প্রেমৰ স্পর্শৰ দ্বাৰা প্রেয়সীৰ প্রেমৰ হৃদয় আলোড়িত কৰাৰ যি সার্থকতা তাক লৈ গর্ব আৰু অহঙ্কাৰো অনুভৱ নকৰাকৈ নাথাকে—

*"মোৰ অহঙ্কাৰ*
*প্রথমে জগালোঁ ময়ে তন্দ্রলসা গাভৰুক মনোৰমা!*
*হিয়াৰ তোমাৰ।"*

দেৱকান্ত বৰুৱাৰ কবিতাই অসমীয়া ৰোমাণ্টিক কবিতাক প্রথমৰ পৰা প্রবাহিত হৈ অহা প্রেমৰ স্বৰূপ সলনি যে কৰি দিছে, সেই সত্য ওপৰৰ আলোচনাই কিছু পৰিমাণে হ'লেও স্পষ্ট কৰিব।

দেৱকান্ত যুগসন্ধিৰ কবি। ৰোমাণ্টিক কবিতাৰ মূলধাৰাৰ পৰা আঁতৰি আহিও এক নব্য ৰোমাণ্টিক চিন্তা-চেতনা, বিশেষভাৰে প্রেমৰ ক্ষেত্রত এক নতুন বার্তা কবি দেৱকান্ত বৰুৱাই কবিতাৰাজিৰ মাজেৰে দিবলৈ সমর্থ হৈছে। দেৱকান্ততে আচলতে ৰোমাণ্টিক কাব্যসু�ৰৰ সামৰণি পৰিছে। লাহে লাহে ৰোমাণ্টিক কবিতাই বিদায়ৰ বাট বিচাৰিছে আৰু তাৰ ঠাইত কবিতাৰ ক্ষেত্রখনলৈ বাস্তৱবাদী ভাবধাৰাৰ আগমন ঘটিছে। *আৱাহন, বাঁহী*আৰু *সুৰভিয়ে* পুৰণি ঐতিহ্যক বোৱাই ৰাখিবৰ কাৰণে শেষ যত্ন কৰিছিল যদিও অতি সোনকালেই জগত জোৰা মহাযুদ্ধৰ বিভীষিকাই তিনিওখন পত্রিকাৰ সোঁত বন্ধ কৰি অসমীয়া কবিতালৈ এক নতুন ধাৰা বোৱাই আনিলে। লাহে লাহে ৰোমাণ্টিক কবিতাৰ যি মূল সুৰ সি সীমিত হৈ আহিল আৰু তাৰ ঠাইত নতুন চিন্তাধাৰাৰে কবিতাই সমাজৰ কল্যাণৰ হকে, মানৱতাৰ হকে মাত মাতিবলৈ প্রয়াস কৰিলে। চক্রেশ্বৰ ভট্টাচার্য্য আৰু কমল নাৰায়নদেৱৰ যুটীয়া সম্পাদনাত পূর্বতে ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত প্রকাশ পোৱা *জয়ন্তীক* নতুন ধাৰাৰ বাহক হিচাপে পুনৰ চলোৱা হ'ল। *জয়ন্তীয়ে* নিজকে প্রগতিবাদী বুলি ঘোষণা কৰিলে আৰু আৰম্ভণিৰে পৰা ৰোমাণ্টিক ধাৰাৰ কবি-সাহিত্যিক-সকলক পোনপটীয়াকৈ আক্রমণ কৰিলে। এইখিনিতেই পুৰণি আৰু নতুনৰ বিচ্ছেদ ঘটিল আৰু নিজৰ মান ৰাখি পুৰণি নীৱৱ হৈ পৰিল। এই ভঙ্গিৰ আৰম্ভণি প্রথম সংখ্যা কাকতৰ নচিকেতাৰ (ভবানন্দ দত্ত) *ৰাজপথ*নামৰ কবিতাটিত। দুমাহৰ পিছত আহিল অমূল্য বৰুৱা, চাৰিমাহৰ পিছত হেম বৰুৱা, কেশৱ মহন্ত, নৱকান্ত বৰুৱা প্রমুখ্যে কবিসকল। এফালে ৰোমাণ্টিক ধ্যান-ধাৰণাক আঁতৰাই থৈ ৰোমাণ্টিক কবিতাক দেহজ প্রেমৰ আলোকেৰে আলোকিত কৰা দেৱকান্ত বৰুৱাৰ পৰৱর্তী সময়ত আহিল বাস্তৱবাদী ধাৰা। দুয়োটা যুগৰ সীমাত থাকি, মাজত থাকি কাব্যসাহিত্যত নিজৰ ভাৱনাক সুন্দৰভাৱে প্রকাশ কৰা বাবে দেৱকান্ত বৰুৱাক কোৱা হয় যুগসন্ধিৰ কবি।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ২ ঃ** যুগসন্ধিৰ চিন্তা-ভাৱনা দেৱকান্ত বৰুৱাৰ কবিতাত কেনেদৰে প্রকাশ পাইছে চমুকৈ আলোচনা কৰক।

(150টা শব্দৰ ভিতৰতলিখক)

## ৯.৫ কবি হিচাপে দেৱকান্ত বৰুৱাৰ মূল্যায়ন

অসমীয়া কাব্যজগতত কবি দেৱকান্ত বৰুৱাৰ এখনি সুকীয়া আসন আছে। অসমীয়া ৰোমাণ্টিক কবিতাক পূর্বৰ ৰোমাণ্টিক কবিসকলৰ ধ্যান-ধাৰণা আৰু চিন্তা-চেতনাৰ পৰা সুকীয়াকৈ চাবলৈ এই গৰাকী কবিয়ে বিশেষভাবে যত্ন কৰিছিল। মাত্র এখন কবিতাপুথি ৰচনা কৰি অসমীয়া কবিতাত এনে জনপ্রিয়তা লাভ কৰাটো বিৰল বুলিয়েই ক'ব পাৰি। দেৱকান্ত বৰুৱাৰ একমাত্র কবিতা পুথি হ'ল— *সাগৰ দেখিছা*। কুৰি শতিকাৰ তৃতীয় দশকত এই কবিতাসমূহ ৰচিত হৈছিল আৰু সেই দশকৰ জনপ্রিয় আলোচনী *আৱাহনত* এই কবিতাৰাজি প্রকাশ পাইছিল। *সাগৰ দেখিছা* কাব্য সঙ্কলনৰ পাতনিত কবি দেৱকান্ত বৰুৱাই এই কথা এনেদৰে প্রকাশ কৰিছে— "এই কবিতাসমূহ ৰচিত হৈছিল যোৱা তৃতীয় দশকত আৰু প্রায়বিলাকেই *আবাহনত* প্রকাশ হৈছিল।" এই কাব্যসঙ্কলনখনিত 35টা কবিতা সঙ্কলিত হৈছে। *সাগৰ দেখিছা* কবিতাটি সঙ্কলনখনিৰ প্রথম কবিতা।

দেৱকান্ত বৰুৱাৰ অগ্রজ ৰোমাণ্টিক কবিসকলেও কবিতাৰ জৰিয়তে প্রেম আৰু সৌন্দর্যৰ সাধনা কৰিছে। প্রিয়াৰ ৰূপ সাধনা কবি ৰত্নকান্ত বৰকাকতী, অম্বিকাগিৰী ৰায়চৌধুৰী আদি কবিসকলৰ কবিতাতো বিদ্যমান; কিন্তু ৰোমাণ্টিক যুগৰ এই কবিসকলে প্রেম আৰু সৌন্দর্য, ৰূপ আৰু লাৱণ্যক আকাশলঙঘী কল্পনাৰ স্তৰলৈ পর্যবসিত কৰিছিল। কবি দেৱকান্তাই এনে সৌন্দর্য আৰু ৰূপ লাৱণ্যৰ সাধনাক কল্পনা-আশ্রিত মাধুর্যৰ মাজত ৰাখিও মাটিৰ পৃথিৱীৰ বুকুৰ প্রেমলৈ নমাই আনিবলৈ যত্ন কৰিছে।

দেৱকান্ত বৰুৱা মূলতঃ প্রেমৰ কবি। কলঙৰ পাৰত বহি কবি দেৱকান্তই দৃষ্টি দিগন্ত-প্রসাৰিত কৰিছে আৰু বিস্তীর্ণ সাগৰৰ পিনে চাই মানুহৰ বুকুত প্রেমৰ পোহৰ-দীপ্ত হিয়া আকাশত ৰঙৰ সন্ধান কৰিছে। সাগৰৰ দৰে নীলা আৰু বিশাল হৃদয়ত কেতিয়াবা বাসনাৰ লক্ষ্য টোৰ স্মৃতি আৰু কেতিয়াবা উন্মাদনাৰ ধুমুহাৰ উতলা সঙ্গীত শুনিবলৈ আকুল হৈ পৰিছে। প্রেম আৰু বাসনাৰ জীৱন-সাগৰত সাঁতুৰি-নাদুৰি যৌৱনৰ বঠা ধৰিলেও তাৰ মাজতে কবি দেৱকান্তই মাজ নিশা সাৰ পাই কেতেকীৰ হিয়া ভগা মাত শুনিবলৈ পায়; উপলব্ধি কৰে— পখীৰ ডিঙিত মানুহৰ বুকুৰ কাৰুণ্যৰ সংবাদ। জীৱন আৰু প্রেমৰ ব্যক্তিগত স্থিতিৰ সাৰৱত্তা অনুভৱ কৰি কবিৰ হৃদয় আৰু মন ঝঙ্কাৰিত কৰা প্রিয়ালৈ কবিৰ অভিযোগ প্রিয়াই জানে কেৱল 'তুমি তুমি, মই মই'। এই ব্যক্তি স্বাতন্ত্র্যৰ বাহিৰেও প্রেমৰ এনে এখন জগত কবিৰ দৃষ্টিত বর্তমান, যিয়ে জঁই পৰা মালতীৰ জয়ৰ গৌৰৱো ঘোষণা কৰিব পাৰে; মানুহৰ প্রেমৰ মিলন সোণালী কৰিব পাৰে— পৃথিৱীৰ

দুখৰ বোকাৰে। হৃদয়ৰ অন্ধকাৰ নাশিবলৈ কবিয়ে নিবিচাৰে জুইৰ চাকিৰ পোহৰ; তাৰ বিপৰীত কবি হৃদয়ৰ তিমিৰ বিনাশিব খোজে দুটি নয়নৰ সহজ প্ৰভাৰে। ক'বলৈ গ'লে বাহ্যিক অবয়ৰ আৰু তাৰ সৈতে বিজড়িত চৌদিশৰ সামাজিক বাস্তৱতাৰ কেন্দ্ৰৰ পৰা আঁতৰি আহি কবি দেৱকান্তই হৃদয়ৰ অমল বাস্তৱতাৰে জীৱন মাধুৰ্য্যয় কৰাৰ সপোন ৰচিছে।

দেৱকান্ত বৰুৱাৰ কবিতাত কলং নৈয়ে সুকীয়া অস্তিত্ব, নান্দনিক অবয়ব লাভ কৰিছে। কলঙৰ পাৰত বহিয়েই কবি দেৱকান্ত বৰুৱাই প্ৰেমৰ মধুৰ আৰু বিষাদ দুয়োটা ভাবেৰে স্মৃতি সোঁৱৰণ কৰিছে। দেৱকান্তৰ কবিতাৰ এনে দিশৰ সার্থকতা উপলব্ধি কৰি কবি, সমালোচক মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখা* নামৰ গ্ৰন্থত এনেদৰে লিখিছে "কলঙৰ পাৰতে বহি যৌৱনৰ আৰতি শুনাবৰ অভিলাষত সৌন্দর্যলোলুপ কবিয়ে নাৰীৰ শৰীৰৰ কামনাৰ জয়গান গাইছে, ইন্দ্রিয় প্ৰমার্থী সৌন্দর্যৰ অনুপম বাণী চিত্র, আঁকিছে, অনুভৱ কৰিছে। বুভুক্ষ দেৱতা কাম গৰকিছে বিশ্বজুৰি। তেওঁ যৌৱনৰ প্ৰথম আঘাততে দুৱৰা বা গণেশ গগৈৰ দৰে ভাগি নপৰি বিদ্রোহী হৈ উঠিছে। সমাজৰ কঠুৱা ৰীতি আৰু পাপৰ ধাৰণাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে।" কলঙৰ নিজান পাৰত বহি জীৱন আৰু যৌৱনৰ সুখ-দুখ, বেদনা-বিহ্বলতাৰ সপোন দেখিছে।এজাৰৰ ৰূপৰ অনল শিখা, সোণাৰুৰ সোণালী যৌৱনৰ উদ্দাম বাসনাই কবিক এফালে যেনেদৰে কৰি তুলিছে উদ্বাউল, তেনেদৰে বিষাদ আৰু বিৰহৰ স্মৃতি কঢ়িয়াই উটি অহা বিহ মেটেকাৰ বনৰীয়া বিহফুল পাহিয়েও সিপাৰৰ দুখৰ কাহিনী কৈ কৰি তুলিছে আহ্লাদিত—

*"লাগিছে আপোন মোৰ। উটি অহা মেটেকাৰ বনৰীয়া*
*বিহফুল পাহি*
*চকুলোৰে সিপাৰৰ দুখৰ কাহিনী কিবা সিও মোক*
*কয় হাঁহি হাঁহি।" (কলং পাৰত)*

এই কলং পাৰতে বহি যৌৱনৰ আৰতি শুনা কবিয়ে কেতিয়াবা কেতিয়াবা অকলে বহি পৃথিৱীৰ সৌন্দর্য শোভা শেষবাৰলৈ চাই বিনন্দীয়া জীৱনৰ সৌন্দর্য এৰি যাবলগীয়া হোৱাৰ ভৱিষ্য-ভাৱনাৰে চিন্তাক্লিষ্ট হৈছে। কবিৰ জীৱনৰ প্ৰেম-ইতিহাসৰ পাতত অধিক স্থানতে লিপিবদ্ধ হৈ আছে ব্যর্থতাৰ ইতিহাস— যি ইতিহাস অতি নিৰলে লেৰেলি গৈছে। কবিয়ে অনুভৱ কৰে যেন সেই ঐতিহাসিক ৰূপ সার্থকভাৱে কবিতাৰ মাজেৰে প্ৰতিফলিত কৰিব পৰা নাই। নিৰৱধি সময়ৰ সোঁতত কবি যেনেদৰে উটি যাব, আন বহুতো হেৰাই যাব যৌৱনৰ আৰতি শুনাবলৈ কলঙৰ পাৰলৈ নতুনৰ আগমন হ'ব যাৰ চকুতো বেদনাৰ বাৰিষা— মেঘে অমৃত বৰষিব। কবিক ইতিহাসে সুকীয়া নিজস্ব স্থিতি বা স্থান নিদিলেও কলং পাৰত বহা নতুন কবিক বুৰঞ্জী আৰু সভ্যতাই বৰণ কৰিব, দুখৰ স্মৃতিৰ যন্ত্রণাক বিনাশ কৰিব—

*"বুৰঞ্জীয়ে দিব তাক জীৱনৰ জয়মাল্য, সভ্যতাই*
*কৰিব বৰণ*
*নৱ যুগ কবি বুলি, বিস্মৃতি সাপৰ বিহ হয়তো সি*
*কৰিব হৰণ।" (কলং পাৰত)*

কবিৰ প্ৰেমৰ ভৱিষ্যত সম্পৰ্কে নিজে সন্দিহান। এনে প্ৰেমৰ আবেগ-উচ্ছাস স্থায়ী হ'ব বুলি কবিৰ ধাৰণা। ইতিহাসকো সকলো ক্ষেত্ৰতে সঁচা বুলি কবিয়ে ভবা নাই, বিশেষকৈ মানুহৰ বিচাৰৰ ক্ষেত্ৰত। সুন্দৰ কাব্যিক অৰ্থবহ ব্যঞ্জনাৰে কবিয়ে জীৱনৰ বিশাল সৌন্দৰ্যৰ পৰিধিৰ মাজত ক্ষন্তেকীয়া প্ৰেমৰ উচ্ছাসৰ পাহৰণি-গীত গাইছে—

*"আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ*
*মিছা ইতিহাসে*
*আমাক পাহৰি যাব প্ৰভাতৰ পূবেৰুণে, সন্ধিয়াৰ*
*সুৰৰ আকাশে।" (কলং পাৰত)*

দেৱকান্ত বৰুৱাৰ কবিতাত জাগতিক, ইন্দ্ৰিয় গ্ৰাহ্য প্ৰেমৰ প্ৰকাশ গভীৰ। একাষাৰতে ক'বলৈ গ'লে *সাগৰ দেখিছা* কাব্য সঙ্কলনৰ অধিক সংখ্যক কবিতাতে এনে ইন্দ্ৰিয়স্পৰ্শ জীৱনৰ প্ৰেমৰ গোন্ধ বিকশিত আৰু পৰিব্যাপ্ত। মহেশ্বৰ নেওগে *আধুনিক অসমীয়া সাহিত্য*নামৰ গ্ৰন্থখনিত এই সম্পৰ্কত এনেদৰে উল্লেখ কৰিছে— *"উদ্দাম যৌৱন কামনাক মনোগ্ৰাহী প্ৰকাশ দিয়াতেই কবিৰ নিজস্ব বিশেষত্ব। এই 'কামনা-কুসুম' দুখৰ বোকাৰ পদুম ফুল, 'বনৰ শেৱালি বুটলি আনি মনৰ ফুলৰ সু�ৰভি সানি' তেওঁৰ কবিতাৰ হাৰ ৰচিছে। মনোৰমা কামিনীসুন্দৰীৰ ডালিম গুটিৰ দাঁত বতাহৰ 'হাঁহিৰ বিজুলী এটি' 'নিপোটল বুকু', 'লাটুমনি ওঁঠৰ চুমা-চুমি' —ইয়াৰ বাবেই সৌন্দৰ্য লোলপ কবি ঘুৰি মাৰিছে। নাৰীৰ শৰীৰ কামনাৰ জুইত তেওঁৰ সৌন্দৰ্যবোৰৰ প্ৰকৃত প্ৰতীক বিচাৰি তেওঁ অতীতৰ এলান্ধু লগা পাত লুটিয়াইছে; শেষত তেওঁৰ মনত একেবাৰেই খাপখোৱা এটি ছায়া ছবি লগ পাইছে— 'তিলে তিলে গঢ়া ৰূপৰ প্ৰতিমা', 'চিৰ নিৰুপমা তিলোত্তমা' তেওঁৰ কাব্যৰ সেয়ে চৰম সিদ্ধি।"*সচাঁকৈয়ে দেৱকান্ত বৰুৱাই প্ৰেমৰ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ প্ৰকাশ কৰি কবিতাৰ কেন্দ্ৰীয় ক্ষেত্ৰত বিচৰণ কৰিছে আৰু সেয়েহে অধিক ক্ষেত্ৰতে এনে এক দৃষ্টি আৰু দৰ্শনেৰে তেওঁৰ কবিতাৰ মূল ধাৰাক বিচাৰলৈ অনা হয় যদিও ক্ষয়িষ্ণু, নশ্বৰ জীৱন যাত্ৰাত প্ৰেমৰ যি স্বৰ্গীয় ৰূপৰ আলোকময়ী সৌন্দৰ্য সুষমা তাক উপেক্ষা কৰা নাই। মৃত্যুলব্ধ প্ৰেম আৰু প্ৰেমৰ আধাৰক স্বৰ্গীয় সোঁৱৰণীৰ সৈতে সম্পৃক্ত কৰি কবিয়ে ৰচিছে—

*"তেজ মঙহৰ তুমি সামান্য পুতলা এটি, মৃত্যুশীল*
*ফুল মৰতৰ*
*মনত জগোৱা তুমি তথাপি লাহৰি! সোঁৱৰণি*
*পাহৰা স্বৰ্গৰ।" (ৰহস্য)*

দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেমৰ অকপট স্বীকাৰোক্তি আছে। প্ৰেমৰ ধাৰণাক তেওঁ জীৱন্ত আৰু স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। সেয়েহে হয়তো সত্যেন্দ্ৰনাথ শৰ্মাই *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* কৈছে— "জীৱনৰ নশ্বৰতা, অসহায়তা আৰু সঘন সংগ্ৰামৰ ক'লা ডাৱৰ ভেদি প্ৰেমৰ যি এক ক্ষণিক প্ৰভাই জীৱন উজ্বলাই তোলে তাকেই স্থায়ী কৰাৰ প্ৰয়াস দেৱকান্তৰ কবিতাত দেখা যায়। আন কথাত মানৱীয় প্ৰেমৰ গৌৰৱ ঘোষণা তেওঁৰ কবিতাৰ প্ৰধান সুৰ।" তাৰেই প্ৰতিধ্বনি যেন মূৰ্ত হৈছে *সাগৰ দেখিছা*নামৰ কবিতাটিৰ তলৰ স্তৱকত—

*"দেখিছাতো ৰামধেনু ? বাৰিষাৰ ডাৰৰত পোহৰৰ*
*মোহন গৌৰৰ*
*প্রেমৰ পোহৰ দীপ্ত মোৰ হিয়া আকাশত দেখিছানে*
*ৰঙৰ উছৰ ?"*

প্রেমৰ ইন্দ্রিয়জ জাগতিক ৰূপক কবিয়ে যে স্বীকাৰ কৰিছে তাত কাৰো দ্বিমত নাথাকিব। কিন্তু কবিয়ে সেই স্থূল, ইন্দ্রিয়লব্ধ প্রেমক চিৰন্তন, স্থায়ী ৰূপৰ দৃষ্টিৰে চাব বিচৰা নাই। ফুল মৰহি যোৱাৰ দৰে ইন্দ্রিয় বাসনালব্ধ প্রেমৰ ৰূপো মৰহি যাব। এনে স্পর্শযুক্ত দেহজ প্রেম হৈ পৰিব অসার্থক। কবিয়ে পাপ-পুণ্যৰ দুৱাৰ মেলি দি তাৰ মাজত বাসনাযুক্ত, ইন্দ্রিয়গ্রাহ্য প্রেমক জুখি চাইছে, চাকি চাইছে। সেয়া পাপ হ'লেও প্রেমৰ তাড়নাতকৈ সেই পাপক নিম্ন স্থান দিছে— ক্ষতি বুলি ভবা নাই—

*"আমিও মৰহি যাম ? অসার্থক প্রেম মোৰ ! পাপ মাথোঁ*
*এই চুমাচুমি ?*
*কি কৰিম ? হক পাপ ক্ষতি নাই, মই পাম স্বর্গ তাতে*
*তুমি ৰ'বা তুমি।" (অসার্থক)*

দেৱকান্ত ক্রান্তিৰ কবি, নতুন পথৰো সন্ধানকাৰী কবি। দেৱকান্ত বৰুৱাৰ প্রেম বিষয়ক কবিতাৰ যতি পৰিছে বিয়াল্লিছৰ আন্দোলনৰ সময়ত লিখা শোকার্ত মৃদু ব্যঙ্গৰ *লাচিত ৰৰফুকন* কবিতাত। এইবাৰ তেওঁ ৰণ আহ্বানৰ বাণী নিয়তিৰ বিৰুদ্ধে প্রকাশ কৰা নাই, দেশৰ দুখ নিবাৰণ কৰাৰ অর্থে লুইতৰ বগা পানী ৰঙা কৰি মৰাৰ বাবেহে। কবিতাটিত স্বদেশৰ সামাজিক, ৰাজনৈতিক, সাম্প্রতিক অৱক্ষয়ৰ স্বৰূপ মৃদু ব্যঙ্গৰ মাজেৰে সার্থকভাৱে প্রকাশ পাইছে-

*"বছৰি বছৰি স্মৃতিসভা পাতি বীৰ পূজা কৰি বীৰ তোমাৰ*
*হাবাথুৰি খাওঁ বিচাৰি চাকৰি আবকাৰী দাৰোগাৰ।" (লাচিত ফুকন)*

লাচিত ৰৰফুকনৰ স্বদেশ প্রেম, মানৱতাবোধ আৰু দেশপ্রেমৰ সার্থক সমাহাৰেৰে উজ্বল হৈ উঠিছে *মোৰ দেশ মানুহৰ দেশত*। মানুহৰ প্রতি থকা কবিৰ ভালপোৱা আৰু তাৰ আধাৰত স্বদেশানুৰাগ সার্থকভাবে কবিতাটিত প্রকাশ পাইছে। প্রেমৰ ক্ষেত্রখনৰ পৰা কবি বাহিৰলৈ ওলাই আহিছে, তাত মনোৰমা নাই, দেৱদাসী নাই, আছে পানীপথ, হলদিঘাট, শৰাইঘাটৰ স্মৃতি বিজড়িত ঘটনাপ্রবাহ আৰু তাৰ আধাৰত দেশৰক্ষাৰ মহতোমহীয়ান আবেদন—

*"এই দেশ ৰাখিব লাগিব*
*এইখন আপোনাৰ দেশ*
*এইখন মৰমৰ দেশ*
*এইখন মানুহৰ দেশ।" (মোৰ দেশ মানুহৰ দেশ)*

দেৱকান্ত বৰুৱাৰ কাব্য ভাষাত শক্তি আৰু সৌন্দর্য উভয়ে সমানে বর্তমান। ভাবক তুলি ধৰিবলৈ ভাষাৰ যি অফুৰন্ত শক্তি সুষমা, সেয়া দেৱকান্তৰ কবিতাত বিদ্যমান। নাটকীয় পৰিৱেশন ৰীতিয়ে দেৱকান্ত বৰুৱাৰ কবিতাক অতিৰিক্ত আনন্দ আৰু সুমধুৰ ব্যঞ্জনা প্রদান কৰিছে। এই

সম্পর্কত ৰত্নকান্ত বৰকাকতীৰ প্রভাৱো অস্বীকাৰ কৰিব পৰা নাযায়। কবিগৰাকীৰ কবিতাত ব্রাউনিঙৰ ড্রেমেটিক মনোলগ (নাটকীয় স্বগতোক্তি)ৰ প্রভাবো। আছে। এই দুয়োটা দিশৰ প্রতি লক্ষ্য ৰাখি মহেশ্বৰ নেওগে *আধুনিক অসমীয়া সাহিত্যত* লিখিছে— ব্রাউনিং আৰু বৰকাকতীৰ স্পর্শ কোনো কোনো বিন্দুত দেখা যায়। অৱশ্যে বৰকাকতীৰ ছন্দৰ গতটোকে ৰাখি বৰুৱাই তাক কোমলতাৰে মধুৰ কৰি লৈছে; কিন্তু বৰুৱা (দেৱকান্ত) বৰকাকতীৰ ভাবৰ উদ্দাম শক্তিৰ কিছু অভাৱ।" দেৱকান্ত বৰুৱাৰ প্রেমৰ কবিতাকেইটিত ব্যৱহাৰ কৰা নাটকীয় স্বগতোক্তি আত্মাৰ গোপন চেতনাক মুক্ত কৰিছে—

ক) *"তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন? মাথোঁ*
*দহ দিন আছে?*
*এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম*
*মোৰ বাটে বাটে।" (কলঙ্পাৰত মাজনিশা)*

খ) *"শুনা নাই? মোৰ সাগৰত শুনা নাই ধুমুহাৰ*
*উতলা সঙ্গীত?*
*বুজা নাই? অনুভৱো কৰা নাই ফুলনিত বসন্তৰ*
*কোমল ইঙ্গিত?" (সাগৰ দেখিছা)*

দেৱকান্তৰ কবিতাৰ ছন্দৰ দিশটোত আলোচনা কৰিবলগীয়া। *কলঙ্পাৰত মাজনিশা* অপ্রকাশ, অসার্থক —এই আটাই কেইটা কবিতাৰে ছন্দ চিৰাচৰিত ৰীতিৰ বস্তু মাত্র। 8+8 +10 ভাগ নকৰি ভাগ কৰিছে 20+ 6। ছপাত এনে পংক্তি বিভাগ কৰিলেও সি পঢ়োতাৰ মুখত বা শুনোতাৰ কাণত সাধাৰণ ধৰণেই বাজিব। এই পদ বিন্যাসত বিচিত্র একো নাথাকিলেও এটা নতুনত্ব আছে। এটা শাৰী বা ছেদৰ লগতে একোটা বাক্য শেষ হোৱা নাই। ছন্দৰ বান্ধতে বান্ধ নাখাই, নিজ গতিত আগবাঢ়িছে বা থমকি ৰৈছে। *সাগৰ দেখিছাৰ* বেছি ভাগ কবিতাৰ ছন্দৰ সঙ্গীত আখৰত নিহিত নহয়, মাত্রাতহে আছে। অর্থাৎ ই একপ্রকাৰ শ্বাসাঘাত ছন্দ। ভাষা ছন্দৰ সৱলীলতা আমাৰ কাব্যলৈ বৰুৱাৰ প্রধান দান।

বিষয়বস্তু, প্রকাশভঙ্গী, শব্দশক্তি, ভাষাৰ তেজস্বী গুণ আৰু আবেগৰ গাম্ভীর্য তথা স্বতঃস্ফুর্ত প্রকাশে দেৱকান্ত বৰুৱাক কবিতাক বিশেষ আয়তন আৰু মর্যাদা প্রদান কৰিছে। দেৱকান্ত বৰুৱা নতুন আৰু পুৰণিৰ দোমোজাৰ কবিয়েই নহয়, তেওঁ ক্রান্তিৰ কবি, নতুন যুগ চেতনাৰ বাহক হিচাপে তেওঁৰ সুকীয়া স্থান আৰু তেওঁৰ কবিতাৰ মর্যাদাপূর্ণ আসন আছে। কবিন ফুকনে *কবিতাৰ জুতি বিচাৰত* গ্রন্থত ইয়াৰ কাৰণ নিৰূপণ কৰিছে— "নতুন পথৰ প্রয়োজনীয়তা সুস্পষ্ট কৰি দি দেৱকান্ত বৰুৱাই এক ঐতিহাসিক নান্দানিক সৃষ্টিকর্ম নিষ্পন্ন কৰা হেতুকেই তেওঁৰ অনুজসকলে শক্তিৰ অপচয় নকৰাকৈ নতুন পথৰ সন্ধান পালে।"

জীৱনৰ ৰহস্য ভেদ কৰিবলৈ কবি দেৱকান্ত বৰুৱাই প্রয়াস কৰিছে। মৃত্যুৰেই এই ক্ষুদ্র জীৱনৰ শেষ সীমা; মৃত্যুৰ মাজতেই কবিয়ে সন্ধান কৰিছে অমৰত্বৰ। মৰণশীল হ'লেও কবিৰ প্রিয়তমাৰ স্পর্শই মনতজগাই তোলে স্বর্গীয় স্পর্শ। কলঙৰ পাৰত সপোন ৰচাৰ বাহিৰেও তাতকৈ

গভীৰতাৰে মাজ নিশা ওলাই অহা প্ৰেয়সীৰ সৈতে মিলনৰ এক বার্তাও কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে। এই জাগতিক মিলনৰ ক্ষেত্ৰত আহিব পৰা যি সামাজিক প্ৰতিবন্ধকতা, তাৰ উৰ্দ্ধলৈ গৈ এক মানসিক পৰিতৃপ্তিৰ জগতলৈ কবিৰ প্ৰেমৰ উত্তৰণ ঘটিছে। সেয়া হ'লেও *কলঙপাৰৰ মাজনিশাৰ* যি জাগতিক মিলনৰ অৰ্থবহ প্ৰকাশ ঘটাইছে সেয়ে দেৱকান্ত বৰুৱাৰ কবিতাক প্ৰেমৰ অভিনৱত্ব প্ৰদান কৰিছে।

দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেমৰ অৰ্থ আৰু অনৰ্থ, আশা আৰু আশাভঙ্গ, কল্পনাৰ মাধুৰ্য আৰু বিষাদ সন্মিলিত হৈছে। এই গৰাকী কবিৰ কবিতাত কেৱল প্ৰেমৰ সম্মোহনী সুধাই ব্যঞ্জিত হোৱা নাই— *অপ্ৰকাশ, অসাৰ্থক, অৰ্থহীন, তুমি নাই* আদি কবিতাত নান্দনিক সুখানুভুতিৰ সৈতে বিষাদৰ এক অনুৰণনো অনুভূত হৈছে। বিশেষভাৱে মন কৰিবলগীয়া কথা এয়ে যে দেৱকান্ত বৰুৱাৰ কবিতাত দুয়োটা দিশৰ প্ৰকাশ থাকিলেও এটা আনটোৰ পৰা বিচ্ছিন্ন নহয়। অনৈক্যৰ মাজত যেনেদৰে ঐক্য থাকে, মঙহৰ মাজত যেনেদৰে ঐক্য থাকে, মঙহৰ মাজত যেনেদৰে তেজ থাকে তেনেদৰে দুয়োটা দিশেই সানমিহলি হৈ প্ৰবাহিত হৈছে আৰু ইয়াৰ সমাহাৰত দেৱকান্ত বৰুৱাৰ কবিতাই অপৰূপ সৌন্দৰ্য লাভ কৰিছে। এই গৰাকী কবিৰ কবিতাত এনেবোৰ দিশ অনুধাৱন কৰি মহেশ্বৰ নেওগে *আধুনিক অসমীয়া সাহিত্যত* লিখিছে— "ৰীতিৰ বিৰুদ্ধে, সমাজৰ ধাৰণাবোৰ বিপক্ষে প্ৰতিবাদ কৰিও কবিয়ে ব্যক্তিগত আৰু কাব্যিক জীৱনত লভিছে ক্লান্তি আৰু ব্যৰ্থতা। অশ্ৰুক্লান্ত জীৱনৰ অসহ্য যাতনাত শ্বেলীৰ দৰে উচুপি উঠিছে। কাব্যজগততো যেন প্ৰেমিক কবিৰ ভাব পিছলি গৈছে। ভৱিষ্যত যেন দেখাদেখিকৈয়েই আন্ধাৰ। এই যুদ্ধত কবিয়ে হাৰ মানি লৈছে। অন্তৰ্নিহিত সকলো শক্তি লৈও কবি নিৰাশাবাদী হৈ পৰিছে; পোহৰৰ অভিযানত 'আন্ধাৰৰ জয়' স্বীকাৰ কৰি খায়য়ামী হৈ বহি পৰিছে।"

অকল ভাবৰ বা ভাষাৰ ক্ষেত্ৰতে নহয়, দুয়োটি ক্ষেত্ৰতে দেৱকান্তৰ কবিতাত অভিনৱত্ব প্ৰকাশিত হৈছে। দেৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক দিশৰ বিচাৰ বিশ্লেষণ আগবঢ়াই সমালোচক নগেন শইকীয়াই *অসমীয়া কবিতা আৰু অন্যান্য বিষয়ত* লিখিছে— "দেৱকান্ত বৰুৱাৰ মাজত অসমীয়া ৰোমাণ্টিক প্ৰেমৰ কবিতাই লাভ কৰিলে ভাব ঘন আৰু ৰস ঘন ৰূপ। ব্ৰাউনিঙৰ স্বগতোক্তিৰ ৰীতিৰেই কেৱল তেওঁ অসমীয়া কবিতাক নতুন আয়তন দিয়া নাই, পুৰণি কবি প্ৰসিদ্ধিৰে নতুন চিত্ৰকল্প ৰচনা কৰি আৰু চিনাকি শব্দক নতুন অৰ্থ ব্যঞ্জনা দান কৰি অসমীয়া কবিতাক সমৃদ্ধিশালী কৰি তুলিলে। তদুপৰি তেওঁৰ কবিতাত প্ৰেম ভাবৰ মাজত বাজি থকা ক্ষণিকতা, অসহায়তা আৰু মৃত্যু চেতনাই আধুনিক মানুহৰ প্ৰথম সংশয়ো কঢ়িয়াই আনিলে। দেৱকান্তই যেন দ্বিতীয় মহাযুদ্ধৰ ইটো পাৰৰ পৰা দ্বিতীয় মহাযুদ্ধৰ সিটো পাৰলৈ এডাল সাঁকো বান্ধি দিলে। জীৱনৰ নশ্বৰতাৰ যিটো সত্য যতীন্দ্ৰ নাথ দুৱৰাৰ হাতেদি *ওমৰ তীৰ্থই* কঢ়িয়াই আনি অসমীয়া সাহিত্যত স্থান দিছিলহি, দেৱকান্তৰ মাজত সি যেন আন এটা নতুন ৰূপত প্ৰকাশ লাভ কৰিলে। "সংশয়ৰ ধুমুহাত নাচিছে আমাৰ নাও বেদনাৰ মহাসাগৰত" —এই এটা শাৰীৰ মাজেদিয়েই যেন আধুনিক মনৰ সংশয় আৰু যন্ত্ৰনাকাতৰ মনে ভূমুকি মাৰিলেহি।"

নিঃসন্দেহে দেৱকান্ত বৰুৱাই ৰোমাণ্টিক পর্ব আৰু আধুনিক যুগৰ সন্ধিক্ষণত স্বকীয় চিন্তা আৰু ভঙ্গী লৈ আবির্ভাব হৈছিল। ৰোমাণ্টিক আৰু আধুনিক দুই স্তৰৰ মাজত থিয় হৈ দেৱকান্তই ৰচনা কৰিছে একমাত্র অথচ অসমীয়া পাঠকৰ বাবে অতিকৈ জনপ্রিয় কবিতা সঙ্কলন— *সাগৰ দেখিছা*। দেৱকান্ত বৰুৱাই মানুহৰ চিৰন্তন সম্পদ 'প্রেম'কেই কবিতাৰ বিষয়বস্তু হিচাপে গ্রহণ কৰি অসমীয়া প্রেমৰ অনুভূতিত এক নতুন সংযোজন ঘটাইছে। ব্যক্তিগত প্রেমৰ অভিজ্ঞতাক তেওঁ দিছে সার্বজনীন ৰূপ। অকল এয়ে নহয়, এক স্বকীয় বচনভঙ্গী আৰু আবেগময় ভাষাই তেওঁ কবিতাবোৰক এক নতুন মাত্রা দিছে।এই কথাত বিশেষভাৱে উল্লেখ কৰিব পাৰি যে দেৱকান্ত বৰুৱাৰ কবিতাত কলঙ্‌ নৈখনে বিশেষ প্রাধান্য লাভ কৰিছে। কলঙ্‌পাৱতেই কবিৰ প্রেমৰ উন্মোচন ঘটিছে আৰু সেই কলং পাৱতেই কবিয়ে প্রেমিকাক চিৰ বিদায় জনাইছে— 'আজি এই কলঙৰ পাৱত বহি কত কি যে দেখিছোঁ সপোন' বুলি কোৱা কবিয়ে একেটি কবিতাতে অনুভৱ কৰিছে— 'আকুল গীতেৰে তাৰ কলঙৰ দুটি পাৰ কৰি গল কোমল কৰুণ।' *কলঙ্‌পাৱত মাজনিশা* নামৰ কবিতাটিত ব্রাউনিঙৰ ***Last ride together*** কবিতাৰ অনুৰণন শুনিবলৈ পোৱা যায় বুলি সমালোচকসকলে অভিমত দিছে।ব্রাউনিঙৰ নাটকীয় গীতিধর্মিতাক নিজস্ব সাঁচত ঢালি সুন্দৰভাৱে প্রকাশ কৰিবলৈ কবি সমর্থ হৈছে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৩ঃ** দেৱকান্ত বৰুৱাৰ কাব্য চিন্তাৰ চমু আভাস দিয়ক (150টা শব্দৰ ভিতৰত লিখক)



## ৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেৱকান্ত বৰুৱাৰ কবিতাত কলঙৰ পাৰে এক বিশেষ ভূমিকা গ্রহণ কৰিছে।
- ৰোমাণ্টিক যুগ আৰু আধুনিকতাৰ দোমোজা কালৰ কবি দেৱকান্ত বৰুৱাৰ বিষয়বস্তু আৰু আঙ্গিক পূর্বৰ ৰোমাণ্টিক কবিতাৰ তুলনাত পৃথক আছিল।
- অতি নিপুণ কৌশলেৰে কলঙৰ পাৱত বহি কবি দেৱকান্ত বৰুৱাই প্রেমৰ যি বাণী বা মর্ম কঢ়িয়াই আনিছে তাৰ গভীৰতা আৰু পৰিব্যাপ্তি বিশেষভাৱে মন কৰিবলগীয়া।
- কবি দেৱকান্ত বৰুৱাই জীৱনৰ ৰহস্য ভেদ কৰিবলৈ প্রয়াস কৰিছে। মৃত্যুৰেই জীৱনৰ শেষ সীমা; মৰণশীল হ'লেও কবিৰ প্রিয়তমাৰ স্পর্শই মনত তোলে স্বর্গীয় স্পর্শানুভূতি।
- দেৱকান্ত বৰুৱাৰ কবিতাত প্রেমৰ অকপট স্বীকাৰোক্তি আছে। প্রেমৰ ধাৰণাক তেওঁ জীৱন্ত আৰু স্পষ্ট ৰূপত প্রকাশ কৰিবলৈ যত্ন কৰিছে।
- দেৱকান্ত বৰুৱাক যুগসন্ধিৰ কবি বুলি কোৱা হয়। অসমীয়া ৰোমাণ্টিক কবিতাৰ শেষ স্তৰ আৰু আধুনিক যুগৰ আৰম্ভণিৰ আগৰ সময়ছোৱাৰ কবি হিচাপে তেওঁক ক'ব পাৰি আলি দোমোজাৰ কবি।

- ৰোমাণ্টিক আৰু আধুনিক দুই স্তৰৰ মাজত থিয় হৈ দেৱকান্ত বৰুৱাই ৰচনা কৰিছে একমাত্ৰ অথচ অসমীয়া পাঠকৰ বাবে অতি জনপ্ৰিয় কাব্য সঙ্কলন *সাগৰ দেখিছা*।



## ৯.৭ অধিক জানিবলৈ


1] নেওগ, মহেশ্বৰ (1985); *আধুনিক অসমীয়া সাহিত্য*, নতুন বজাৰ, ডিব্ৰুগড় ঃ বাণী মন্দিৰ।

2] ফুকন, কবীন (1996); *কবিতাৰ জুতি বিচাৰ*, পাণবজাৰ, গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

3] শইকীয়া, নগেন (1996); *অসমীয়া কবিতা আৰু অন্যান্য বিষয়*, পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

4] গোস্বামী, মালিনী আৰু আহমেদ, কামালুদ্দিন (সম্পা.) (2009); *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ*, গুৱাহাটী বিশ্ববিদ্যালয় ঃ অসমীয়া বিভাগ।




## ৯.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** কলঙৰ পাৰত বহি প্ৰেয়সীৰ বাবে বৈ থকা কবিৰ কাষলৈ প্ৰেয়সী আহিছে... ...দুয়োৰো মাজত ব্যৱধান নাৰাখি ওচৰ চাপিবলৈ বিচাৰিছে... ...প্ৰেমৰ পটভূমিত ভৱিষ্যতৰ বহুতো কথাৰ কল্পনা কৰা হৈছে... ...কবি গৌৰৱান্বিত যে তেঁৰেই প্ৰথমতে প্ৰেয়সী গাভৰুক প্ৰেমেৰে জগাব পাৰিছে। কবিতাটিৰ সামগ্ৰিক বিষয়বস্তুৰ উল্লেখ কৰিব লাগিব।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** পূৰ্বৰ ৰোমাণ্টিক কবিতাসমূহৰ পৰা আঁতৰি ৰোমাণ্টিক কবিতাক কি কি নতুন গুণেৰে সমৃদ্ধ কৰিছে... ...প্ৰেমৰ ক্ষেত্ৰত কবিয়ে কেনেকৈ সুকীয়া চিন্তা-ভাৱনা ৰূপায়িত কৰিছে—এইবোৰ দিশৰ বহলাই আলোচনা।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** দেৱকান্ত বৰুৱাৰ কাব্য সঙ্কলনখনিৰ আন আন কবিতাৰ প্ৰসঙ্গ অৱতাৰণা কৰি তেওঁৰ কবিতাৰ মূল বৈশিষ্ট্যৰাজিৰ মূল্যায়ন কৰিব লাগিব।



## ৯.৯ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** দেৱকান্ত বৰুৱাৰ চমু পৰিচয় উল্লেখ কৰক।

**প্ৰশ্ন ২ ঃ** যুগসন্ধিৰ কবিতাৰাজিৰ এটি চমু আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৩ ঃ** দেৱকান্ত বৰুৱাক কিয় 'যুগসন্ধিৰ কবি' অথবা 'আলিদোমোজাৰ কবি' বুলিব পাৰি আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** দেৱকান্ত বৰুৱাৰ হাতত অসমীয়া ৰোমাণ্টিক কবিতাই কেনে স্বৰূপ লাভ কৰিছে আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৫ ঃ** "দেৱকান্ত বৰুৱা অসমীয়া সাহিত্যৰ এজন শ্ৰেষ্ঠ প্ৰেমৰ কবি। নাটকীয় স্বগতোক্তিৰ প্ৰয়োগ আৰু এক লাৱণ্যময় পৰিচ্ছন্ন ভাষা ৰীতিৰে বৰুৱাই ত্ৰিশৰ দশকত অসমীয়া ৰোমাণ্টিক কবিতালৈ আনিছিল এক যৌৱনসুলভ তেজ আৰু সৌন্দৰ্য।" মন্তব্যটিৰ পৰ্যালোচনা আগবঢ়াওক।

**প্ৰশ্ন ৬ ঃ** *কলঙ্‌পাৱত মাজনিশা* কবিতাটিৰ বিষয়বস্তু সম্পৰ্কে লিখক।

**প্ৰশ্ন ৭ ঃ** 'দেৱকান্ত বৰুৱাৰ কবিতাত কলং' —এই বিষয়ে চমু আলচ কৰক।

**প্ৰশ্ন ৮ ঃ** প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰক—

ক) *"আহাছোঁ ওচৰ চাপি, সঙ্কোচৰ ব্যৱধান নেৰাখিবা*
*বিদায় নিশাত;*
*ভাগৰ লাগিছে যদি, নকৰিবা একো লাজ, থোৱা মূৰ*
*মোৰেই কোলাত।"*

খ) *"চাই লওঁ তোমাৰ মুখনি, লীন হক তোমাৰ চকুত*
*দুটি চকু মোৰ,*
*যিদৰে মিলিছে আজি আমাৰ বিষাদৰ স'তে আকাশৰ*
*মলিন পোহৰ।"*

গ) *"তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহ দিন? মাথোঁ*
*দহ দিন আছে?*
*এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম*
*মোৰ বাটে বাটে।"*

ঘ) *"নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা যি*
*ন চাকি গছি,*
*তাৰ পোহৰত যাব জীয়ৰী কালৰ আশা, সুখ, দুখ*
*দিনে দিনে মচি।"*

ঙ) *"মোৰ অহঙ্কাৰ*
*প্ৰথমে জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!*
*হিয়াৰ তোমাৰ।"*

*** ***** ***